# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 10-12-2024
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***
**::::::::::::::::::::::::::::::**

১। আজি ছহিদ দিৱসত অসম আন্দোলনৰ ৮৬০ গৰাকী ছহিদৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি। অসমত খিলঞ্জীয়াৰ অধিকাৰ সুৰক্ষিত কৰাৰ বাবে চৰকাৰ দৃঢ় প্ৰতিজ্ঞ বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

২। ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ ১৯০ সংখ্যক জয়ন্তীত ওজাগৰাকীক সোঁৱৰণ।

৩। শাসক-বিৰোধীৰ অভিযোগ-প্ৰতি-অভিযোগত সৃষ্টি হোৱা হুলস্থূলীয়া পৰিৱেশত সংসদৰ দুয়ো সদনৰ কাৰ্যসূচী আজিও স্থগিত।

৪। গুৱাহাটী কেন্দ্ৰৰ বাতৰি সম্পৰ্কত শ্ৰোতাৰ মতামত, অভিযোগ গ্ৰহণৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ। ***আৰু***

৫। গুৱাহাটীকে ধৰি দেশৰ সাতখন স্থানত চাইবাৰ অপৰাধী চিনাক্তকৰণৰ বাবে যুটীয়া চাইবাৰ সমন্বয় দল গঠন।

০০০০

ঐতিহাসিক অসম আন্দোলনৰ ৮৬০ গৰাকী ছহিদৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে আজি ৰাজ্যৰ বিভিন্ন স্থানত ছহিদ দিৱস পালন কৰা হয়।

**শোণিতপুৰ** জিলাৰ জামুগুৰিহাটত আজি ভাৰতীয় জনতা যুৱ মৰ্চা, অসম প্ৰদেশৰ উদ্যোগত কেন্দ্ৰীয়ভাৱে আয়োজিত ছহিদ দিৱসত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰি ১৫৯টা ছহিদ পৰিয়ালক সম্বৰ্ধনা জনায়। মুখ্যমন্ত্ৰীয়ে অসম আৰু অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ বাবে আত্মবলিদান দিয়া অসম আন্দোলনৰ ছহিদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অসমৰ জাতীয় জীৱনৰ জটিল সন্ধিক্ষণত সূত্ৰপাত হোৱা অসম আন্দোলনে দীৰ্ঘকাল ধৰি ৰাজ্যৰ ইতিহাসত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই এই আন্দোলনৰ ছহিদসকলৰ আদৰ্শৰে সকলোকে আগুৱাই যোৱাত গুৰুত্ব আৰোপ কৰে।

**বাইট (চি এম)**

অনুষ্ঠানত অসম গণ পৰিষদৰ সভাপতি অতুল বৰাৰ লগতে ভালেকেইগৰাকী মন্ত্ৰী আৰু সাংসদে অংশগ্ৰহণ কৰে।

অসম আন্দোলনৰ অন্যতম উদ্যোক্তা সদৌ অসম ছাত্ৰ সন্থাই আজি **গোৱালপাৰা** জিলাৰ বগুৱান উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত ছহিদ দিৱস পালন কৰে। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰা এই কাৰ্যসূচীৰ আৰম্ভণিতে ছহিদ খৰ্গেশ্বৰ তালুকদাৰৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰা হয়।

তদুপৰি অসম আন্দোলনৰ ৮৬০ গৰাকী ছহিদৰ স্মৃতিত বন্তি প্ৰজ্বলন কৰা হয়। কাৰ্যসূচীৰ লগত সংগতি ৰাখি সৰ্বধৰ্মীয় প্ৰাৰ্থনাও অনুষ্ঠিত হয়। অনুষ্ঠানত সন্ধিয়ালৈ আমন্ত্ৰিত শিল্পীৰ দ্বাৰা ভাওনা প্ৰদৰ্শন কৰা হ'ব।

সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত ঢেকীয়াজুলিৰ ৰাজহুৱা পুথিভঁৰাল প্ৰাংগণত, বৰপেটা ৰোডত, গুৱাহাটী বিশ্ববিদ্যালয় আইন ছাত্ৰ সন্থাৰ সহযোগত গুৱাহাটী বিশ্ববিদ্যালয়ৰ চৌহদত আজি ছহিদ দিৱস পালন কৰা হয়।

ছহিদ খৰ্গেশ্বৰ তালুকদাৰৰ জন্মগাঁও বৰপেটাৰ উজান বৰবৰীত আজি অসম গণ পৰিষদ দলে আয়োজন কৰা ছহিদ দিৱসৰ কাৰ্যসূচীত দলটোৰ কাৰ্যকৰী সভাপতি কেশৱ মহন্তকে ধৰি কেইবাগৰাকীও জ্যেষ্ঠ নেতাই অংশগ্ৰহণ কৰে আৰু ছহিদগৰাকীৰ স্মৃতিত শ্ৰদ্ধা তৰ্পণ কৰে।

বাক্সা জিলাৰ থমনাত সদৌ অসম জাতীয় ছহিদ পৰিয়াল সমন্বয়ৰক্ষী পৰিষদে দিনজোৰা কাৰ্যসূচীৰে ছহিদ দিৱস পালন কৰে।

আনহাতে কেন্দ্ৰীয় মন্ত্ৰী তথা সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি সৰ্বানন্দ সোণোৱালে আজি নতুন দিল্লীত ছহিদ দিৱস উপলক্ষে অসমীয়াৰ পৰিচয়, সংস্কৃতি আৰু ঐতিহ্য ৰক্ষাৰ হকে আত্মবলিদান দিয়া বীৰ ছহিদসকলৰ প্ৰতি গভীৰ শ্ৰদ্ধা তৰ্পণ কৰে।

০০০০

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ ১৯০ সংখ্যক জয়ন্তী পালন কৰা হয়। জয়ন্তীৰ সৈতে সংগতি ৰাখি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ জ্যোতি বাটচ'ৰাৰ দাঁতিত প্ৰয়াত বৰুৱাদেৱৰ ব্ৰঞ্জৰ এটা পূৰ্ণাৱয়ব প্ৰতিমূৰ্তি উন্মোচন কৰা হয়। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাহিত্যিক ড০ নগেন শইকীয়াই এই প্ৰতিমূৰ্তিটো উন্মোচন কৰে। ইলোৰা বিজ্ঞান মঞ্চই ৰাজ্যৰ বিভিন্ন স্থানত হেমচন্দ্ৰ বৰুৱাৰ জন্মদিনটো কুসংস্কাৰ বিৰোধী দিৱস হিচাপে পালন কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ত এই উপলক্ষে আয়োজিত কাৰ্যসূচীত হেমকোষৰ স্ৰষ্টাগৰাকীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। এই কাৰ্যসূচীত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক, গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ উপাধ্যক্ষৰ লগতে ইলোৰা বিজ্ঞান মঞ্চৰ সভাপতি আৰু অন্যান্য কেইবাগৰাকীও আগশাৰীৰ লোক উপস্থিত থাকে। কটন বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগ আৰু ইলোৰা বিজ্ঞান মঞ্চৰ যুটীয়া উদ্যোগত বিশ্ববিদ্যালয়খনৰ ছুদমাৰ্ছন হ'লত আয়োজিত কেন্দ্ৰীয় অনুষ্ঠানতো কটন বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য -অধ্যাপক ৰমেশ চন্দ্ৰ ডেকাই উদ্বোধন কৰে। অনুষ্ঠানত অসমীয়া ভাষা সাহিত্যলৈ হেমচন্দ্ৰ বৰুৱাৰ অৱদান শীৰ্ষক এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। শিৱসাগৰ জিলাৰ হেমচন্দ্ৰ বৰুৱা উদ্যানতো আজি ভাষাৰ ওজাগৰাকীক স্মৰণ কৰাৰ উদ্দেশ্যে বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়।

০০০০

বাংলাদেশৰ সংখ্যালঘু হিন্দু আৰু অন্যান্য ধৰ্মীয় লোকৰ ওপৰত অব্যাহত থকা উৎপীড়ন সোনকালে বন্ধ কৰাৰ দাবী উত্থাপন কৰি আজি গুৱাহাটীৰ শিলপুখুৰীস্থিত বাংলাদেশ সহকাৰী উচ্চায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত লোক জাগৰণ মঞ্চৰ অসম শাখাই প্ৰতিবাদ সাব্যস্ত কৰে। বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰখনৰ মুখ্য উপদেষ্টা মহম্মদ ইউনুছলৈ বুলি দিয়া এখন স্মাৰক পত্ৰ মঞ্চৰ কৰ্মকৰ্তাসকলে সহকাৰী উচ্চায়ুক্ত ৰুহুল আমিনৰ হাতত অৰ্পণ কৰে। স্মাৰক পত্ৰখনত বাংলাদেশত হিন্দু আৰু আন ধৰ্মীয় সংখ্যালঘু সকলৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ দাবী উত্থাপন কৰা হয়। দলটোত অধিবক্তা বিজন মহাজন আৰু লেখক দিগন্ত বিশ্ব শৰ্মাও আছিল।

০০০০

নৱ নিযুক্ত পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে কয়, যে ৰাজ্য চৰকাৰে কামাখ্যা মন্দিৰৰ পৰ্যটনৰ প্ৰসাৰৰ দিশটোক অগ্ৰাধিকাৰ দিছে। প্ৰতি বছৰে দেশৰ বিভিন্ন প্ৰান্তৰ অগণন ভক্তই কামাখ্যা মন্দিৰ দৰ্শন কৰিবলৈ আহে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কামাখ্যাৰ উন্নয়নৰ বাবে যৎপৰোনাস্তি প্ৰয়াস চলোৱা হ'ব বুলি ঘোষণা কৰে। শেহতীয়াকৈ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰৰ মন্ত্ৰী সভাৰ সম্প্ৰসাৰণত পৰ্যটন বিভাগৰ দায়িত্ব লাভ কৰা শ্ৰীদাসে আজি ঐতিহাসিক কামাখ্যা মন্দিৰ দৰ্শন কৰি দেৱীৰ আশিস লয়। তেওঁ কামাখ্যাৰ পৰ্যটনৰ প্ৰসাৰ সন্দৰ্ভত জনসাধাৰণৰ সৈতেও মত বিনিময় কৰে। বাৰাণসীত থকা কাশী বিশ্বনাথ মন্দিৰ কৰিড'ৰ দৰেই অসম চৰকাৰে কামাখ্যা মন্দিৰৰ বাবেও এটা কৰিড'ৰ নিৰ্মাণ কৰিবলৈ আগবাঢ়িছে বুলি মন্ত্ৰী শ্ৰীদাসে প্ৰকাশ কৰে।

০০০০

শক্তি মন্ত্ৰী প্ৰশান্ত ফুকনে আজি দিশপুৰৰ জনতা ভৱনস্থিত নতুন কাৰ্যালয়ত বিভাগীয় দায়িত্ব গ্ৰহণৰ পিছতে গুৱাহাটীৰ পলটনবজাৰত থকা বিজুলী ভৱনত উপস্থিত হৈ বিভাগীয় বিষয়াসকলৰ সৈতে বিভিন্ন কাম-কাজৰ পৰিচালনা সম্পৰ্কে আলোচনা কৰে। মন্ত্ৰীগৰাকীয়ে শক্তি বিভাগৰ অধীনত ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনিৰ সাম্প্ৰতিক স্থিতি আৰু ৰূপায়ণ সন্দৰ্ভতো আলোচনা কৰে। তেওঁ সকলো বিষয়া-কৰ্মচাৰীকে এই আঁচনিবোৰৰ সঠিক ৰূপায়নেৰে ৰাইজৰ সুবিধাৰ বাবে নিয়াৰিকৈ সেৱা আগবঢ়াই যাবলৈ আহ্বান জনায়।

০০০০

শাসক-বিৰোধীৰ পৰস্পৰৰ বিৰুদ্ধে ধাৰাবাহিক অভিযোগ-প্ৰতি অভিযোগ আৰু হুলস্থুলীয়া পৰিস্থিতিৰ বাবে আজি ৰাজ্যসভা আৰু লোকসভাৰ কাৰ্যসূচী দিনটোৰ বাবে স্থগিত ৰখা হয়। ৰাজ্যসভাত সদনৰ নেতা জে পি নাড্ডাই জৰ্জ ছ'ৰ'চ ফাউণ্ডেছনৰ সৈতে কংগ্ৰেছৰ সম্পৰ্ক সন্দৰ্ভত দলটোৰ বিৰুদ্ধে পুনৰ অভিযোগ উত্থাপন কৰে। তেওঁ কয়, যে কংগ্ৰেছ নেতাগৰাকী এই ফাউণ্ডেছনৰ পুঁজিৰে চলি থকা এটা সংগঠনৰ সদস্য দেশৰ নিৰাপত্তা আৰু সাৰ্বভৌমত্বৰ প্ৰতি ভাবুকি কঢ়িয়াই অনাসকলৰ সৈতে তেওঁলোকৰ সম্পৰ্ক কি সেয়া বিৰোধীয়ে স্পষ্ট কৰি দিব লাগে। ইফালে বিৰোধী নেতা মল্লিকাৰ্জুন খাৰ্গে নাড্ডাৰ অভিযোগ নাকচ কৰে। কংগ্ৰেছ নেতা প্ৰমোদ তিৱাৰীয়ে এই অভিযোগ নাকচ কৰি কয়, যে শাসকীয় দলে আদানী বিষয়ত আলোচনাৰ পৰা ফালৰি কাটি গৈছে। এনে পৰিস্থিতিৰ বাবে সদনৰ কাম-কাজ দুপৰীয়া ১২ বজা পৰ্যন্ত স্থগিত ৰখাৰ লগতে সদন সুচাৰুৰূপে পৰিচালনা কৰাৰ লক্ষ্যৰে ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ে শাসক আৰু বিৰোধী নেতা দুগৰাকীৰ সৈতে বৈঠকত মিলিত হয়। লোকসভাতো একেধৰণৰ হুলস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি হোৱাৰ বাবে অধ্যক্ষ ওম বিৰলাই সদনৰ কাৰ্যবিধি দুপৰীয়া ১২ বজা পৰ্যন্ত স্থগিত ৰাখে। দুপৰীয়া ১২ বজাত সদনৰ কাম-কাজ আৰম্ভ হোৱাৰ লগে লগে উভয় সদনত পুনৰ হুলস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি হয় আৰু এনে পৰিস্থিতিৰ মাজতে দুয়োখন সদনৰ কাৰ্যক্ৰমণিকা দিনটোৰ বাবে স্থগিত ৰখা হয়।

০০০০

হাতশিঙিমাৰী জিলা প্ৰশাসন আৰু অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগৰ যৌথ সহযোগত আজি হাতশিঙিমাৰী প্ৰেক্ষাগৃহত শিশুৰ অধিকাৰ সন্দৰ্ভত এখন বাল সভা অনুষ্ঠিত হয়। দক্ষিণ শালমাৰা মানকাচৰ জিলা শিশু সুৰক্ষা গোটে আয়োজন কৰা এই সভাত শিশু শ্ৰম, শিশু সৰবৰাহ, বাল্য বিবাহ আদিকে ধৰি শিশুৰ সুৰক্ষা আৰু অধিকাৰ সন্দৰ্ভত আলোচনা কৰা হয়। অনুষ্ঠানত অসম ৰাজ্যিক শিশু অধিকাৰ সুৰক্ষা আয়োগৰ দুগৰাকী সদস্যৰ

লগতে জিলাখনৰ বিভিন্ন গাঁও পঞ্চায়তৰ সভাপতিসকল উপস্থিত থাকে। জিলাখনৰ কেইবাখনো শিক্ষানুষ্ঠানৰ ৩ শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অনুষ্ঠানত অংশগ্ৰহণ কৰে।

০০০০

মঙলদৈত থকা দৰং কৰ্কট কেন্দ্ৰত আজি দৰং আৰু ওদালগুৰি জিলাৰ মহিলা আৰক্ষীসকলৰ বাবে কৰ্কট সজাগতাৰ লগতে বিনামুলীয়া পৰীক্ষা আৰু প্ৰাথমিক চিকিৎসা কাৰ্যসূচী সম্পন্ন হয়। জিলা দুখনৰ ৫০ গৰাকী মহিলা আৰক্ষীয়ে অংশ লোৱা এই দিনযোৰা কাৰ্যসূচীত কৰ্কট কেন্দ্ৰটোত উপলব্ধ চিকিৎসা সেৱা সমূহৰ লগতে কৰ্কট ৰোগৰ লক্ষণ, কাৰক আৰু ইয়াৰ প্ৰতিৰোধ আৰু সাৱধানতাৰ বিষয়ে জনোৱা হয়।

০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগে ইয়াৰ বাতৰি আৰু আন অনুষ্ঠান সম্পৰ্কত শ্ৰোতাসকলৰ পৰা পোনপটীয়াকৈ মতামত, অভিযোগ আৰু পৰামৰ্শ লোৱাৰ ব্যৱস্থা কৰিছে। ইয়াৰ বাবে ৯৮৬৪০-৫৫৫৬৬ নম্বৰৰ Whatsapp যোগে মতামত গ্ৰহণৰ ব্যৱস্থা মুকলি কৰা হৈছে। শ্ৰোতাসকলৰ পৰা লাভ কৰা টেক্সট বা ভইচ বাৰ্তাৰ আধাৰত প্ৰতিমাহে একোটাকৈ অনুষ্ঠান প্ৰচাৰৰো দিহা কৰা হৈছে। অহা শনিবাৰ ১৪ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত ইয়াৰ প্ৰথম খণ্ড প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠান চলি থকাৰ সময়তো আগ্ৰহী শ্ৰোতাই ২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ এই দুটা নম্বৰত অভিমত আৰু প্ৰশ্ন উত্থাপন কৰিব পাৰিব।

শ্ৰোতাসকলে আমাৰ ফেচবুক পেজ **এয়াৰ নিউজ গুৱাহাটী** আৰু **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইচ ৱাইত** কমেণ্ট কৰিও মতামত আৰু প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব।

০০০০

শিৱসাগৰ নগৰৰ মাজমজিয়াৰ বৰপুখুৰীত কালি উদ্ধাৰ হোৱা পাৱাৰগ্ৰীড ক'ৰ্পৰেচনৰ অভিযন্তা চিন্তু কুমাৰ পালৰ শৰদেহৰ মৰণোত্তৰ পৰীক্ষা আজি সম্পন্ন কৰা হয়। কালি পুৱাৰ ভাগত প্ৰাতঃভ্ৰমণৰ বাবে অহা লোকে বৰপুখুৰীত এটা মৃতদেহ ওপঙি থকা দেখি আৰক্ষীক খবৰ দিয়ে। আমাৰ শিৱসাগৰৰ সংবাদদাতাই জনোৱা মতে সহজে ধন উপাৰ্জনৰ ফান্দত ভৰি দি সৰ্বস্বান্ত হৈয়েই এই অভিযন্তাগৰাকীয়ে আত্মহননৰ পথ বাছি লোৱা বুলি প্ৰাৰম্ভিক অনুসন্ধানত কোৱা হৈছে।

০০০০

অহা ২৯ ডিচেম্বৰত হ'বলগীয়া নিম্ন প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক টে'ট পৰীক্ষাৰ কেইদিনমান পূৰ্বে যোৱা ৪ ডিচেম্বৰত অসম চৰকাৰৰ শিক্ষা বিভাগে এই পৰীক্ষাৰ পাঠ্যক্ৰম সলনি কৰা সন্দৰ্ভত আজি শিৱসাগৰত ছাত্ৰ মুক্তি সংগ্ৰাম সমিতিয়ে বিক্ষোভ প্ৰদৰ্শন কৰে। সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি পাপু দত্তই শিক্ষা বিভাগৰ এই সিদ্ধান্তই বহু শিক্ষিত যুৱক-যুৱতীৰ ক্ষতি সাধন কৰিব বুলি অভিযোগ কৰি এই পৰিৱৰ্তিত পাঠ্যক্ৰম প্ৰত্যাহাৰ কৰিবলৈ দাবী জনায়।

০০০০

আই ফ'ৰ চি অৰ্থাৎ চিটিজেন ফাইনেন্সিয়েল চাইবাৰ ফ্ৰড ৰিপ'ৰ্টিং এণ্ড মেনেজমেণ্ট ছিষ্টেমৰ অধীনত বেংক আৰু বিত্তীয় প্ৰতিষ্ঠানৰ সহযোগত সন্দেহযুক্ত চাইবাৰ অপৰাধী চিনাক্ত কৰ্তাৰ পঞ্জীয়ন আৰম্ভ কৰা হৈছে। আজি লোকসভাত এটা প্ৰশ্নৰ লিখিত উত্তৰত গৃহ পৰিক্ৰমা ৰাজ্য মন্ত্ৰী নিত্যানন্দ ৰায়ে কয়, যে এই ব্যৱস্থাৰ ফলত ৫ লাখ ৬০ হাজাৰতকৈ অধিক প্ৰৱঞ্চনামূলক লেন-দেন ৰোধ কৰি জনসাধাৰণৰ এহেজাৰ ৪০০ কোটিতকৈ অধিক

টকা ৰক্ষা কৰিব পৰা গৈছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে চাইবাৰ অপৰাধৰ মূল কেন্দ্ৰসমূহ চিনাক্ত কৰি অবাধ চাইবাৰ জালিয়াতী আৰু অভিযোগসমূহ কমাই আনিবৰ বাবে কেইবালানিও ব্যৱস্থা গ্ৰহণ কৰা হৈছে। তেওঁ লগতে কয়, যে চাইবাৰ অপৰাধীৰ মূল কেন্দ্ৰ আৰু বহু ন্যায়িক সমস্যা থকা অঞ্চলৰ ওপৰত ভিত্তি কৰি সমগ্ৰ দেশক সামৰি হাৰিয়াণাৰ মেৱাত, ঝাৰখাণ্ড জামতাৰা, আহমেদাবাদ, হায়দৰাবাদ, চণ্ডীগড়, বিশাখাপট্টনম আৰু গুৱাহাটীৰ বাবে ৭ টা যুটীয়া চাইবাৰ সমন্বয় দল গঠন কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে কয়, যে এই জে চি চিটিৰ অধীনত বিভিন্ন প্ৰাদেশিক আইন প্ৰয়োগকাৰী সংস্থাৰ মাজত সমন্বয়ৰ পৰিকাঠামো বৃদ্ধিৰ বাবে ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহক অন্তৰ্ভুক্ত কৰা  হৈছে।

০০০০

বাক্সা জিলাৰ কমলাবাৰী ষ্টেডিয়ামত আজি মানাহ বিধানসভা সমষ্টি ভিত্তিক ৩ দিনীয়াকৈ খেল মহাৰণৰ দ্বিতীয় সংস্কৰণ আৰম্ভ কৰা হয়। বিধায়ক ফনীধৰ তালুকদাৰে উদ্বোধন কৰা এই অনুষ্ঠানত বিটিআৰৰ কাৰ্যবাহী সদস্য গৌতম দাসকে ধৰি বহু বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০

বাইচুং ভুটিয়া ফুটবল স্কুল আৱাসিক একাডেমীয়ে অহা ১৫ ডিচেম্বৰত উত্তৰ গহপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ত ১৭ বছৰ অনূৰ্ধৰ যুৱ ফুটবল প্ৰতিযোগিতাৰ আয়োজন কৰিছে। এই প্ৰতিযোগিতাত নিৰ্বাচিত খেলুৱৈসকলে বাইচুং ভুটিয়া ফুটবল স্কুল আৱাসিক একাডেমীত যোগদান কৰাৰ সুযোগ লাভ কৰিব। এই প্ৰতিযোগিতাখনে যুৱ খেলুৱৈসকলক দক্ষতা প্ৰদৰ্শনৰ সুযোগ দিয়াৰ লগতে পেচাদাৰী ফুটবলৰ দিশত আগবাঢ়ি যোৱাৰ বাবে এখন মঞ্চ প্ৰদান কৰি আহিছে।

০০০০

সমাপ্ত